# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-MAY-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। জ্যেষ্ঠ বিজেপি নেতা চন্দ্ৰমোহন পাটোৱাৰীৰ অসম বিধানসভাৰ অস্থায়ী অধ্যক্ষ হিচাপে আজি শপতগ্ৰহণ।

২। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ৰাজ্যৰ সৰ্বাংগীন উন্নয়নত গুৰুত্ব আৰোপেৰে বিভিন্ন খণ্ডৰ কাম-কাজৰ পৰ্যালোচনা।

৩। উত্তৰ-পূৰ্বাঞ্চলৰ ৭ খন ৰাজ্যসহ দেশৰ মুঠ ১৬ খন ৰাজ্য আৰু তিনিখন কেন্দ্ৰীয়শাসিত অঞ্চলত পৰ্যায়ক্ৰমে এছ্ আই আৰ আৰম্ভ কৰিব বুলি নিৰ্বাচন আয়োগৰ ঘোষণা।

৪। ৩০ মে'ৰ পূৰ্বে নিম্ন আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ত খালী হৈ থকা শিক্ষক পদৰ তথ্য দাখিল কৰিবলৈ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ নিৰ্দেশ।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ধৰমশালাত অনুষ্ঠিত এখন খেলত পাঞ্জাব কিংছৰ বিৰুদ্ধে মুম্বাই ইণ্ডিয়ানছৰ ছয় উইকেটত জয়লাভ।

০০০০০০

জ্যেষ্ঠ বিজেপি নেতা তথা নৱনিৰ্বাচিত বিধায়ক চন্দ্ৰমোহন পাটোৱাৰীয়ে আজি অসম বিধানসভাৰ অস্থায়ী অধ্যক্ষ হিচাপে শপতগ্ৰহণ কৰিব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই লোক ভৱনত দিনৰ চাৰে ১১ বজাত আয়োজিত এটা অনুষ্ঠানত শ্ৰী পাটোৱাৰীক শপতবাক্য পাঠ কৰোৱাব। ৰাজ্যপালে কালি বিধায়ক চন্দ্ৰমোহন পাটোৱাৰীক যোড়শ অসম বিধানসভাৰ অস্থায়ী অধ্যক্ষ হিচাপে নিযুক্তি দিয়ে। স্থায়ী অধ্যক্ষ নিৰ্বাচিত নোহোৱা পৰ্যন্ত অস্থায়ী অধ্যক্ষগৰাকীয়ে সদনৰ কামকাজ পৰিচালনা কৰিব। উল্লেখযোগ্য যে অহা ২১ মে'ত আৰম্ভ হ'বলগীয়া যোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ প্ৰথম দিনা অস্থায়ী অধ্যক্ষগৰাকীয়ে নৱনিৰ্বাচিত বিধায়কসকলক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱাব। ইয়াৰ পাছতে বিধানসভাৰ নতুন অধ্যক্ষ নিৰ্বাচন কৰা হ'ব। শাসকীয় বিজেপিয়ে বিধানসভাৰ পৰৱৰ্তী অধ্যক্ষ হিচাপে ভৱানীপুৰ-সৰভোগ সমষ্টিৰ বিধায়ক ৰঞ্জিত দাসক মনোনীত কৰিছে।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কালি নতুনকৈ শপত গ্ৰহণ কৰা চাৰিগৰাকী মন্ত্ৰীক দপ্তৰ বিতৰণ কৰে। সেই অনুসৰি, ৰামেশ্বৰ তেলীক ৰূপান্তৰ আৰু উন্নয়ন, শ্ৰম কল্যাণ তথা চাহ জনগোষ্ঠী আৰু আদিবাসী কল্যাণ বিভাগৰ দায়িত্ব অৰ্পণ কৰা হয়। অতুল বৰাক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, অসম চুক্তি ৰূপায়ণ, সীমা সুৰক্ষা আৰু উন্নয়ন তথা আৰকাৰী বিভাগৰ দায়িত্ব দিয়া হৈছে। একেদৰে মন্ত্ৰী চৰণ বড়োক পৰিবহণ আৰু বড়োলেণ্ড কল্যাণ বিভাগৰ দায়িত্ব দিয়াৰ লগতে অজন্তা নেওগক পৰ্যটন, মহিলা আৰু শিশু বিকাশ বিভাগৰ দায়িত্ব প্ৰদান কৰা হয়। দায়িত্বভাৰ গ্ৰহণ কৰি চৰণ বড়োৱে অনাগত সময়ত নিষ্ঠাৰে তেওঁৰ কাৰ্য কৰি যাব বুলি সাংবাদিকৰ আগত ব্যক্ত কৰে।

*(বাইট)*

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ৰাজ্যৰ সৰ্বাংগীন উন্নয়নত গুৰুত্ব আৰোপেৰে কালি কেইবাখনো বৈঠকত মিলিত হয় আৰু বিভিন্ন খণ্ডৰ কাম-কাজৰ পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে অসম বিদ্যুৎ বিতৰণ কোম্পানী লিমিটেড, অসম বিদ্যুৎ উৎপাদন নিগম লিমিটেড আৰু অসম বিদ্যুৎ গ্ৰীড লিমিটেডৰ সৈতে হোৱা বৈঠকত প্ৰতিষ্ঠান তিনিটাৰ বিভিন্ন প্ৰকল্পৰ কাম-কাজৰ পৰ্যালোচনা চলায় আৰু ৰাজ্যৰ বৰ্ধিত বিদ্যুৎ চাহিদা পূৰণৰ বাবে নিৰন্তৰ যোগান সুনিশ্চিত কৰিবলৈ কঠোৰ নিৰ্দেশ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে সৰ্বাধিক বিদ্যুতৰ প্ৰয়োজন হোৱা সময়ছোৱাৰ চাহিদাৰ মূল্যায়ন কৰে আৰু বৰ্তমানৰ যোগান ব্যৱস্থাৰ পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে তাপ, সৌৰ আৰু জলবিদ্যুৎ উৎপাদন প্ৰকল্পসমূহৰ কাম ত্বৰান্বিত কৰিবলৈ নিৰ্দেশ দিয়ে।

ড° শৰ্মাই কালি আন এখন বৈঠকত কামাখ্যা মন্দিৰ প্ৰৱেশ কৰিডৰ প্ৰকল্পৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। বৈঠকৰ অন্তত মুখ্যমন্ত্ৰীগৰাকীয়ে এইক্ষেত্ৰত থকা আইনী বাধাসমূহ সমাধান কৰি শীঘ্ৰেই ৰূপায়ণ সম্ভৱ হৈ উঠিব বুলি আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি এডভাণ্টেজ আছাম বিনিয়োগ সন্মিলনৰ দ্বিতীয় পৰ্যায়ত যোৱা ফেব্ৰুৱাৰীৰ লাভ কৰা পাঁচ লাখ কোটিৰো অধিক বিনিয়োগৰ প্ৰতিশ্ৰুতিৰে ৰূপায়িত বিভিন্ন প্ৰকল্পৰ সাম্প্ৰতিক স্থিতিৰো পৰ্যালোচনা কৰে। তেওঁ কয়, যে বিনিয়োগৰ এই প্ৰতিশ্ৰুতি ৬০ শতাংশ উন্নত পৰ্যায়ত আছে। ইয়াৰে বহুকেইটা বিনিয়োগ প্ৰতিশ্ৰুতি ইতিমধ্যে কাৰ্যকৰী হৈছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। বৈঠকত ড° শৰ্মাই প্ৰাসংগিকতাৰ প্ৰতি লক্ষ্য ৰাখি এনে প্ৰতিশ্ৰুতিৰ কাৰ্যকৰীকৰণ ত্বৰান্বিত কৰিবলৈ নিৰ্দেশ দিয়ে। বিনিয়োগৰ প্ৰতিশ্ৰুতিসমূহ বাস্তৱায়িত কৰাৰ স্বাৰ্থত অনাগত সময়ত উদ্যোগপতি আৰু সংশ্লিষ্ট পক্ষসমূহৰ সৈতে ব্যক্তিগতভাৱে আলোচনাত মিলিত হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০

পেট্ৰ'ল-ডিজেলৰ ব্যয় কৰ্তন কৰিবলৈ প্ৰধানমন্ত্ৰী মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনোৱা আহ্বান প্ৰতি সঁহাৰি জনাই মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ কনভয়ৰ বাহনৰ সংখ্যা হ্ৰাস কৰিছে। পশ্চিম এছিয়াৰ সাম্প্ৰতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বিশ্বজুৰি আহি পৰা তেল আৰু ইন্ধনৰ সংকটৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে ধৰি কেইবাগৰাকী কেন্দ্ৰীয় মন্ত্ৰী আৰু অন্যান্য ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে তেওঁলোকৰ কনভয়ৰ বাহনৰ সংখ্যা হ্ৰাস কৰা পৰিলক্ষিত হৈছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰধানমন্ত্ৰীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই সাংবাদিকৰ আগত এইদৰে কয়–

(বাইট)

ইপিনে বৰ্ধিত উত্তেজনাৰ মাজতে তেল কোম্পানীসমূহে পেট্ৰ'ল আৰু ডিজেলৰ প্ৰতি লিটাৰত তিনি টকাকৈ মূল্য বৃদ্ধি কৰিছে। এই অনুসৰি নতুন দিল্লীত প্ৰতি লিটাৰ পেট্ৰ'লৰ মূল্য ৯৭ টকা ৭৭ পইচালৈ আৰু ডিজেলৰ মূল্য প্ৰতি লিটাৰত ৯০ টকা ৬৭ পইচালৈ বৃদ্ধি পাইছে। কলকাতাত পেট্ৰ'লৰ মূল্য প্ৰতি লিটাৰত ১০৮ টকা ৭৪ পইচালৈ আৰু ডিজেলৰ মূল্য ৯৩ টকা ১৪ পইচালৈ বৃদ্ধি পাইছে।

০০০০০০

নিৰ্বাচন আয়োগে উত্তৰ-পূৰ্বাঞ্চলৰ ৭ খন ৰাজ্যসহ দেশৰ মুঠ ১৬ খন ৰাজ্য আৰু তিনিখন কেন্দ্ৰীয়শাসিত অঞ্চলত পৰ্যায়ক্ৰমে এছ আই আৰ অৰ্থাৎ ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধন তৃতীয় পৰ্যায় আৰম্ভ কৰিব বুলি ঘোষণা কৰিছে। এই পৰ্যায়ত অৰুণাচল প্ৰদেশ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা, ছিকিম, ওড়িশা, ঝাৰখণ্ড, হাৰিয়ানা, পঞ্জাৱ, উত্তৰাখণ্ড, তেলেংগানা, কৰ্ণাটক, দিল্লী, চণ্ডীগড়, দাদৰা নগৰ হাৱেলী আৰু দমন – ডিউক সামৰি লোৱা হ'ব। ৩০ মে'ত আৰম্ভ হ'বলগীয়া এই পৰ্যায়ত ৩ লাখ ৯৪ হাজাৰতকৈ অধিক বুথ পৰ্যায়ৰ বিষয়াই ৩৬ কোটি ৭৩ লাখ ভোটদাতাৰ ঘৰে ঘৰে যাব।

তিনি লাখ ৪২ হাজাৰ গৰাকী বুথ পৰ্যায়ৰ এজেণ্টে বিষয়াসকলক সহায় কৰিব। নিৰ্বাচন আয়োগে কালি এটা বিবৃতিৰ জৰিয়তে কয়, যে বৰফাবৃত্ত হিমাচল প্ৰদেশ, জম্মু-কাশ্মীৰ আৰু লাডাখৰ বতৰৰ অৱস্থালৈ চাই এই অঞ্চলসমূহৰ বাবে এছ্ আই আৰৰ সময়সূচী পাছত প্ৰকাশ কৰা হ'ব। এছ্ আই আৰৰ অন্তত ৬ ছেপ্তেম্বৰত ছিকিম, মিজোৰাম, মণিপুৰ আৰু ওড়িশাৰ ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। ৭ অক্টোবৰত দিল্লী, কৰ্ণাটক, মেঘালয়, মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ডৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ পাব। ২৩ ডিচেম্বৰত ত্ৰিপুৰাৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশেৰে এই পৰ্যায়ৰ সামৰণি পৰিব। সমগ্ৰ দেশতে ভোটদাতাৰ সঠিক আৰু শেহতীয়া তথ্য সুনিশ্চিত কৰাৰ ক্ষেত্ৰত ভোটাৰ তালিকাৰ পুনৰীক্ষণ প্ৰক্ৰিয়া হৈছে এটা গুৰুত্বপূৰ্ণ পদক্ষেপ।

০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠত আজি শুনানিৰ বাবে তালিকাভুক্ত কৰা হৈছে। ইয়াৰ পূৰ্বে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াৰ বিচাৰপীঠে যোৱা বুধবাৰে অভিযুক্ত শ্যামকানু মহন্তই জামিনৰ বাবে অনুৰোধ জনাই দাখিল কৰা আবেদনখন শুনানিৰ বাবে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল। বিচাৰপীঠখনে ইয়াৰ পৰিৱৰ্তে অভিযুক্তগৰাকীৰ জামিন আবেদন উচ্চ ন্যায়ালয়ৰ আন বিচাৰপীঠত তালিকাভুক্ত কৰিবলৈ নিৰ্দেশ দিছিল।

০০০০০০

ৰাজ্য চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে পুনৰ শিক্ষক নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰাৰ বাবে তৎপৰতা চলাইছে। সেই অনুসৰি প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে সকলো জিলাৰ জিলা প্ৰাথমিক শিক্ষা বিষয়ালৈ পত্ৰ প্ৰেৰণ কৰি নিম্ন আৰু উচ্চ প্ৰাথমিকৰ খালী হৈ থকা শিক্ষক পদৰ তথ্য দাখিল কৰিবলৈ নিৰ্দেশ দিছে। অহা ৩০ মে' বা তাৰ পূৰ্বে খালী শিক্ষক পদৰ তথ্যসমূহ নিৰ্দিষ্ট প'ৰ্টেলত দাখিল কৰিবলৈ কোৱা হৈছে। উল্লেখযোগ্য যে, প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত ২০২৫ চনত ৫হাজাৰ ৫৫০ টা আৰু ২০২৬ চনত ৪হাজাৰ ৫০০ টা প্ৰাথমিক শিক্ষক পদৰ নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা হৈছিল। প্ৰাথমিক শিক্ষা সঞ্চালকালক সুৰঞ্জনা সেনাপতিয়ে ৰাজ্যৰ সকলো জিলাৰ জিলা প্ৰাথমিক শিক্ষা বিষয়ালৈ এই উদ্দেশ্যে পত্ৰ প্ৰেৰণ কৰিছে।

০০০০০০

মেঘালয় চৰকাৰে কাৰ্বি গোটৰ ভাবুকি আৰু উত্তেজনাৰ মাজতে  খেতিত বাধা দূৰ কৰাৰ উদ্দেশ্যে অসমৰ সৈতে থকা আন্তঃৰাজ্যিক সীমান্তৱৰ্তী লাপাংপ গাঁৱত সুৰক্ষা বাহিনীৰ লোক নিয়োজিত কৰিছে। ৰাজ্যখনৰ উপ-মুখ্যমন্ত্ৰী স্নিয়াৱভালাঙ ধৰে কৃষকসকলৰ বাবে সুৰক্ষাৰ দাবীত সচিবালয়লৈ প্ৰতিবাদী সমদল উলিওৱা মেঘালয়ৰ পশ্চিম জয়ন্তীয়া পাৰ্বত্য জিলাৰ লাপাংপ গাঁৱৰ লোকসকলক বিবদমান এলেকাত সুৰক্ষা কৰ্মী নিয়োগ কৰা হ'ব বুলি ইতিপূৰ্বে আশ্বাস দিছিল। যোৱা বছৰ খেতিৰ সময়ত অঞ্চলটোত কেইবাটাও সংঘৰ্ষ সংঘটিত হৈছিল আৰু এই ঘটনাত এজন লোকে প্ৰাণ হেৰুৱাইছিল। মেঘালয়ৰ উপ-মুখ্যমন্ত্ৰীগৰাকীয়ে বিষয়টো সন্দৰ্ভত অসম চৰকাৰৰ সৈতে উচ্চ পৰ্যায়ৰ আলোচনা অব্যাহত আছে বুলি জানিবলৈ দিছে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা হিমাচল প্ৰদেশৰ ধৰমশালাত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে পাঞ্জাব কিংছক ছয় উইকেটত পৰাস্ত কৰে। মুম্বাই ইণ্ডিয়ানছে ২০১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অ'ভাৰ আৰু ৫ টা বলত চাৰিটা উইকেট হেৰুৱাই ২০৫ ৰান সংগ্ৰহ কৰে। মুম্বাই ইণ্ডিয়ানছৰ হৈ তিলক বাৰ্মাই ৩৩ টা বলত ৫৫ ৰান কৰি আউট নোহোৱাকৈ থাকে। ইয়াৰ পূৰ্বে পাঞ্জাব কিংছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ টা উইকেটৰ বিনিময়ত ২০০ ৰান সংগ্ৰহ

কৰে। পাঞ্জাবৰ হৈ প্ৰভছিম্‌ৰন সিঙে সৰ্বাধিক ৫৭ ৰান কৰে। তিলক বাৰ্মাক প্লেয়ৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি লক্ষ্ণৌত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়াৰ চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

NPR/RNU (15-05-2026, MRN.)

উত্তৰ প্ৰদেশত ধুমুহাৰ ফলত শতাধিক লোকৰ মৃত্যু, অসম মন্ত্ৰীসভাৰ চাৰিগৰাকী মন্ত্ৰীৰ দপ্তৰ বিতৰণ, ১৬ খন ৰাজ্য আৰু তিনিখন কেন্দ্ৰীয়শাসিত অঞ্চলত এছ আই আৰৰ বাবে নিৰ্বাচন আয়োগে লোৱা সিদ্ধান্তৰ বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

**দৈনিক অসম** কাকতে কোভিডকাল সদৃশ পৰিস্থিতিৰ দিশে দেশ- শিৰোনামেৰে মধ্য প্ৰাচ্যৰ যুদ্ধৰ পাৰ্শ্বক্ৰিয়াই পৃথিৱীৰ সকলো দেশকে ভয়াবহ সংকটৰ দিশে আগুৱাই লৈ যোৱাটো স্পষ্ট হৈ পৰা বুলি এটা বাতৰি তথ্য সহকাৰে প্ৰকাশ কৰিছে। কাকতখনে দিল্লী, উত্তৰ প্ৰদেশ, ত্ৰিপুৰাত সপ্তাহটোত দুদিন ৱৰ্ক ফ্ৰম হোমৰ নিৰ্দেশ দিয়াৰ বাতৰিও প্ৰকাশ কৰিছে। একেটা বাতৰিকে আমাৰ অসম কাকতে 'পুনৰ আহিল ৱৰ্ক ফৰ্ম হোম' শিৰোনামেৰে প্ৰকাশ কৰিছে।

ৰাজ্য চৰকাৰে বিভিন্ন বিভাগত কৰ্মৰত অদক্ষ কৰ্মচাৰীসকলক বিদায় দিয়াৰ চিন্তা চৰ্চা কৰাৰ বাতৰি **দৈনিক জনমভূমি** কাকতখনে –দুই লাখ নিযুক্তিৰ লক্ষ্য পূৰণৰ স্বাৰ্থত নতুন পৰিকল্পনা- অদক্ষ কৰ্মচাৰীক বিদায় দিব ৰাজ্য চৰকাৰে- শিৰোণামেৰে প্ৰথম পৃষ্ঠাত সবিস্তাৰে প্ৰকাশ কৰিছে। **অসমীয়া প্ৰতিদিন** কাকতে অনলাইনযোগে ঔষধ বিক্ৰী বন্ধৰ দাবীত ২০ মে'ত দেশজুৰি ফাৰ্মাচী বন্ধৰ আহ্বানৰ এটা বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে। ৰাজ্যৰ চাৰিগৰাকী মন্ত্ৰীৰ দপ্তৰ বিতৰণৰ বাতৰিক **দি আছাম ট্ৰিবিউন, দ্যা চেন্টিনেল** কাকতৰ লগতে আন আন কাকতসমূহেও প্ৰথম পৃষ্ঠাত স্থান দিছে। উত্তৰ প্ৰদেশত সংঘটিত ধাৰাসাৰ বৰষুণ আৰু ধুমুহাৰ ফলত শতাধিক লোকৰ মৃত্যু হোৱাৰ লগতে ৰাজ্যখনত ভয়াবহ পৰিস্থিতিৰ সৃষ্টি হোৱাৰ বাতৰি **অসমীয়া খবৰ** কাকতখনে আলোকচিত্ৰসহ প্ৰকাশ কৰিছে। একেটা বাতৰিক **দৈনিক অগ্ৰদূত** কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে।

০০০০০০

বিশেষ কাৰ্যবাহিনী অসম আৰু কামৰূপ আৰক্ষীয়ে মাদক দ্ৰব্যৰ বিৰুদ্ধে চলোৱা যুটীয়া অভিযানত ২১ কোটিৰো অধিক টকাৰ মাদক দ্ৰব্য জব্দ কৰিবলৈ সমৰ্থ হয়। আৰক্ষীয়ে গোপন সূত্ৰৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত কালি অভিযান চলাই আমিনগাঁৱৰ পৰা আঢ়ৈ কিলোগ্ৰাম হেৰ'ইন আৰু ৮ কিলোগ্ৰাম ভাং জব্দ কৰে। চুবুৰীয়া ৰাজ্যৰ পৰা অহা এখন বাহত মাকদ্ৰব্যখিনি সৰবৰাহৰ বাবে লৈ অনা হৈছিল। এই সংক্ৰান্তত

আৰক্ষীয়ে পাঁচজন লোকক আটক কৰিছে। ইপিনে, ডিব্রুগড় জিলাৰ টেঙাখাট আৰক্ষীয়ে কালি অভিযান চলাই তেলপানী বনগাঁৱৰ দুটা বাসগৃহৰ পৰা বুজন পৰিমাণৰ ভাংসহ দুজন লোকক আটক কৰে।

oooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ঘাইকৈ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩০ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল, নাগালেণ্ড, ত্ৰিপুৰা, মিজোৰাম আৰু মণিপুৰৰ কোনো কোনো অঞ্চলত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

*ঃঃ সমাপ্ত ঃঃ*